**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-05-2026 **Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***
***::::::::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ উদ্দেশ্যে নতুন দিল্লীত চাইপ্ৰাছৰ ৰাষ্ট্ৰপতি নিক’ছ ক্ৰিষ্ট’ড’লিদেছৰ সৈতে বৈঠকত মিলিত হয়।

২। নতুন দিল্লীত অহা ২৬ মে’ত কোৱাড বিদেশ মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হ’ব।

৩। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে যোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি দ্বিতীয়দিনাৰ কাৰ্যক্ৰমণিকা আৰম্ভ হয়।

৪। ভাৰতৰ চন্দ্ৰযান-৩ অভিযানলৈ আমেৰিকাৰ বৈমানিক আৰু মহাকাশ বিজ্ঞান প্ৰতিষ্ঠানে ২০২৬ বৰ্ষৰ গডাৰ্ড মহাকাশ বিজ্ঞান বঁটা আগবঢ়াইছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ’বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ উদ্দেশ্যে আজি নতুন দিল্লীত চাইপ্ৰাছৰ ৰাষ্ট্ৰপতি নিক’ছ ক্ৰিষ্ট’ড’লিদেছৰ সৈতে বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই বিভিন্ন আঞ্চলিক আৰু গোলকীয় বিষয়ত মত বিনিময় কৰে। চাইপ্ৰাছৰ ৰাষ্ট্ৰপতিগৰাকী চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিছে। তেওঁৰ সৈতে দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° কনষ্টানটিন’ছ কম্ব’চ, পৰিবহণ আৰু যোগাযোগ মন্ত্ৰী এলেক্সিছ ভাফেদেছ, শীৰ্ষ বিষয়া আৰু ব্যৱসায়ী নেতাসকলকে ধৰি উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰ এটা দল ভাৰতলৈ আহিছে। শ্ৰী নিক’চে আজি সন্ধিয়া ৰাষ্ট্ৰপতিভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব।

০০০০০০০০০

নতুন দিল্লীত অহা ২৬ মে’ত কোৱাড বিদেশ মন্ত্ৰীসকলৰ বৈঠক অনুষ্ঠিত হ’ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰৰ আমন্ত্ৰণমৰ্মে অষ্ট্ৰেলিয়াৰ বিদেশ মন্ত্ৰী পেনি ৱং, জাপানৰ বিদেশ মন্ত্ৰী টচিমিটচ’ মটেগি আৰু আমেৰিকাৰ বিদেশ মন্ত্ৰী মাৰ্ক’ ৰুবিঅ’ এই বৈঠকত অংশ লোৱাৰ বাবে আহিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয়, যে মুক্ত ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডৰ বাবে কোৱাডৰ দৰ্শনৰ প্ৰতি লক্ষ্য ৰাখি বিগত বৰ্ষৰ পহিলা জুলাইত ৱাশ্বিংটন ডি চিত অনুষ্ঠিত আলোচনাক লৈ বিদেশ মন্ত্ৰীসকলে পৰৱৰ্তী আলোচনাত ভাগ ল’ব।

তেওঁলোকে কোৱাড ৰাষ্ট্ৰকেইখনৰ সহযোগিতা বৃদ্ধি সন্দৰ্ভত মত বিনিময় কৰাৰ লগতে সম্প্ৰতি ৰূপায়ণ হৈ থকা কোৱাড পদক্ষেপৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। তদুপৰি ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডৰ শেহতীয়া বিকাশ তথা পাৰস্পৰিক স্বাৰ্থ সম্বলিত আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভতো বৈঠকত গুৰুত্ব দিয়া হ'ব। অষ্ট্ৰেলিয়া, জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীসকলে এই ভ্ৰমণৰ সময়তে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ উপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে।

০০০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি দ্বিতীয়দিনাৰ কাৰ্যক্ৰমণিকা আৰম্ভ হয়। ৰাজ্যপালগৰাকীয়ে নিজৰ ভাষণত আমেৰিকা যুক্তৰাষ্ট্ৰ-ইজৰাইল-ইৰানৰ সংঘৰ্ষৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ বাবে ল'বলগীয়া ব্যয় সংকোচনৰ ব্যৱস্থা, সীমান্ত সুৰক্ষা আৰু অনুপ্ৰৱেশৰ সৈতে জড়িত বিভিন্ন বিষয় উল্লেখ কৰে। শ্ৰী আচাৰ্যই কয়, যে ৰাজ্য চৰকাৰে সীমান্তৰ সুৰক্ষা উন্নত কৰাৰ লগতে অনুপ্ৰৱেশ নিয়ন্ত্ৰণ কৰাৰ বাবে কেন্দ্ৰীয় আৰু পশ্চিমবংগৰ চৰকাৰৰ সৈতে লগ লাগি কাম কৰিব। তেওঁ কয়, যে নতুন চৰকাৰে নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ২ লাখ চাকৰি প্ৰদান, অধিক বিনিয়োগ আকৰ্ষণ আৰু ৰাজ্যত বিদ্যুতৰ উৎপাদন বৃদ্ধিৰ বাবে কাম কৰিব। ৰাজ্যপালগৰাকীয়ে লগতে বিগত ৫ বছৰত দখলিকৃত চৰকাৰী ভূমি আৰু বনাঞ্চল দখলমুক্ত কৰাৰ বাবে চলোৱা উচ্ছেদ অভিযান আগলৈও অব্যাহত থাকিব বুলি উল্লেখ কৰে। ৰাজ্যত বান সমস্যা দূৰ কৰাৰ বাবে ১৮ হাজাৰ কোটি টকা আবণ্টন দিয়া হ'ব বুলি তেওঁ আশ্বাস দিয়ে। তেওঁ কয়, যে ৰাজ্যখনলৈ শান্তি আৰু সুস্থিৰতা ঘূৰি আহিছে আৰু মাত্ৰ ৩ খন জিলাক বাদ দি সমগ্ৰ ৰাজ্যৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰা হৈছে। বিগত সময়ছোৱাত কেইবাখনো শান্তি আৰু বুজাবুজিৰ চুক্তি সম্পাদিত হোৱা বুলি উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে ১০ হাজাৰতকৈ অধিক উগ্ৰপন্থী সদস্য মূল সুঁতিলৈ ঘূৰি আহিছে। তেওঁ নিষিদ্ধ ঘোষিত আলফা স্বাধীনৰ সদস্যসকলক হিংসাৰ পথ পৰিহাৰ কৰি আলোচনাৰ মেজলৈ আহিবলৈ আহ্বান জনায়। শ্ৰী আচাৰ্যই জনজাতীয় আৰু খিলঞ্জীয়া লোকসকলৰ পৰম্পৰাগত অধিকাৰ, ৰীতি-নীতি আৰু সামাজিক প্ৰতিষ্ঠানসমূহক সম্পূৰ্ণৰূপে সুৰক্ষিত কৰি উমৈহতীয়া দেৱানী বিধি প্ৰণয়ন আৰু কাৰ্যকৰী কৰাৰ দিশত চৰকাৰে কাম কৰিব বুলি উল্লেখ কৰে। ইয়াৰ জৰিয়তে ৰাজ্যৰ খিলঞ্জীয়া সমাজৰ অনন্য সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰাগত ব্যৱস্থা সংৰক্ষণ কৰি সমতা আৰু ন্যায় নিশ্চিত কৰা হ'ব বুলি ৰাজ্যপালগৰাকীয়ে প্ৰকাশ কৰে।

ৰাজ্যপালৰ ভাষণৰ পাছত অধ্যক্ষই সদনৰ কাম-কাজ ৪৫ মিনিটৰ বাবে বিৰতি ঘোষণা কৰে। ইয়াৰ পাছতে শাসকীয় দলৰ বিধায়ক বিশ্বজিৎ ফুকনে ৰাজ্যপালৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰে। বিধায়ক সুশান্ত বৰগোহাঁয়ে এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায়। অধ্যক্ষই ইয়াৰ পাছতে সদনৰ কাৰ্যক্ৰমণিকা ২৫ মে'লৈ স্থগিত ঘোষণা কৰে। চাৰিদিনীয়া এই অধিৱেশনৰ ২৬ মে'ত অন্ত পৰিব।

০০০০০০০০০

ভাৰতৰ চন্দ্ৰযান-৩ অভিযানলৈ আমেৰিকাৰ বৈমানিক আৰু মহাকাশ বিজ্ঞান প্ৰতিষ্ঠানে ২০২৬ বৰ্ষৰ গডাৰ্ড মহাকাশ বিজ্ঞান বঁটা আগবঢ়াইছে। আমেৰিকা যুক্তৰাষ্ট্ৰত থকা ভাৰতৰ ৰাষ্ট্ৰদূত বিনয় কোৱাট্ৰাই ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰ'ৰ হৈ এই বঁটা গ্ৰহণ কৰে। ৰাষ্ট্ৰদূতগৰাকীয়ে তেওঁৰ বক্তব্যত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ

মোদীৰ মহাকাশ দৰ্শন, ২০৪৭ৰ কথা উল্লেখ কৰি গভীৰ মহাকাশ অন্বেষণ, মানৱ মহাকাশযান আৰু বাণিজ্যিক মহাকাশ খণ্ডৰ দ্ৰুত বিকাশৰ ক্ষেত্ৰত ভাৰতৰ ৰূপৰেখা সন্দৰ্ভত আলোকপাত কৰে। শ্ৰী কোৱাট্ৰাই মহাকাশ অন্বেষণৰ দিশত দুয়োখন দেশৰ মাজৰ সুদৃঢ় অংশীদাৰিত্বত গুৰুত্ব আৰোপ কৰি ভাৰত আৰু আমেৰিকাৰ চৰকাৰ, উদ্যোগ আৰু গৱেষণা প্ৰতিষ্ঠানসমূহৰ মাজত শক্তিশালী সহযোগিতাৰ বাবে আহ্বান জনায়। উল্লেখযোগ্য যে ২০২৩ চনৰ ২৩ আগষ্টত চন্দ্ৰৰ দক্ষিণ মেৰুত সফল অৱতৰণ কৰাপ্ৰথমখন মহাকাশ যান হিচাপে চন্দ্ৰযান-৩য়ে ইতিহাস ৰচনা কৰে।

ooooooooo

চৰকাৰে সীমান্ত অঞ্চল অধিক দূৰ্ভেদ্য কৰি গঢ়ি তোলাৰ উদ্দেশ্যে স্মাৰ্ট সীমান্ত প্ৰকল্প মুকলি কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত অনুষ্ঠিত বি এছ্ এফৰ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি এইদৰে কয়। শ্ৰীশ্বাহে কয়, যে এই প্ৰকল্প ড্ৰোণ, ৰাডাৰ, কেমেৰা আৰু অন্যান্য প্ৰযুক্তি উপকৰণেৰে সমৃদ্ধ কৰি তোলা হ'ব।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চল নিৰাপত্তা সীমান্তৰ ভূখণ্ডৰ দায়বদ্ধতা হিচাপে গ্ৰহণ কৰাৰ লগতে ইয়াৰ প্ৰত্যাহ্বানসমূহো সেই দৃষ্টিৰে মোকাবিলা কৰা হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এটা সংহত আৰু সৰ্বাত্মক নিৰাপত্তা পৰিকাঠামো গঢ়ি তোলাত বিশেষ গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে, ১৯৬৫ চনত ২৫ টা বেটেলিয়ন আৰু সীমিত সমলেৰে গঠন কৰা সীমান্ত নিৰাপত্তা বাহিনী- বি এছ্ এফ বৰ্তমান বিশ্বৰ বৃহৎ সীমান্ত নিৰাপত্তা বাহিনীলৈ পৰিৱৰ্তিত হৈছে। বৰ্তমান এই বাহিনীত প্ৰায় ২লাখ ৭০ হাজাৰ লোক বিভিন্ন পৰ্যায়ত নিয়োজিত হৈ আছে।

oooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ৰাজা ৰামমোহন ৰায়ৰ জয়ন্তী উপলক্ষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এটা বাৰ্তাত শ্ৰীশ্বাহে কয়, যে ব্ৰাহ্ম সমাজৰ প্ৰতিষ্ঠাপনৰ যোগেৰে ৰামমোহন ৰায়ে জনসাধাৰণক কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু অসমতাৰ বিৰুদ্ধে সজাগ কৰি তুলিছিল। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে গৌড়ীয় ব্যাকৰণৰ যোগেৰে ৰামমোহন ৰায়ে বাংলা ভাষাক নতুন আদৰ্শ তথা বুদ্ধিদীপ্ত দিশ নিৰ্দেশনা প্ৰদান কৰে। শিক্ষা, সমাজ সংস্কাৰ আৰু ৰাজহুৱা প্ৰশাসনৰ ক্ষেত্ৰত ৰাজামোহন ৰায়ে আগবঢ়োৱা অৱদানে আধুনিক ভাৰতৰ ভেঁটি শক্তিশালী কৰি গঢ়ি তোলা বুলি মন্ত্ৰী শ্ৰীশ্বাহে প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজামোহন ৰায়ৰ আদৰ্শই ৰাষ্ট্ৰ নিৰ্মাণ আৰু সমাজ সচেতনতাৰ ক্ষেত্ৰত সদায় পথ দেখুওৱাই আহিছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও মহান সমাজ সংস্কাৰক ৰাজা ৰামমোহন ৰায়ৰ জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এটা বাৰ্তাত শ্ৰীসিঙে কয়, যে ৰাজা ৰামমোহন ৰায়ে সামাজিক ব্যাধি, অন্ধবিশ্বাস, সতীযোৱা প্ৰথা আদি অমানৱীয় পৰম্পৰাৰ বিৰুদ্ধে যুঁজ দিয়াৰ লগতে আধুনিক ভাৰতৰ ভেঁটি নিৰ্মাণ আৰু শক্তিশালী কৰি গঢ়ি তোলাত অৱদান আগবঢ়াই গৈছে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৰামমোহন ৰায়ৰ প্ৰগতিবাদী চিন্তা চৰ্চা আৰু সমাজ সংস্কাৰৰ ক্ষেত্ৰত উৎসৰ্গীকৃত মনোভাৱে তেওঁক এগৰাকী দূৰদৃষ্টি সম্পন্ন নেতা কৰি গঢ়ি তুলিছে। ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত তেওঁৰ অৱদানৰ কথা সমাজে সদায় শ্ৰদ্ধাৰে স্মৰণ কৰিব বুলিও প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

oooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে চেন্নাই ছুপাৰ কিংছক ৮৯ ৰানত পৰাস্ত কৰে।

০০০০০০০

সমাপ্ত